পুঞ্জীভূত ভাৱধাৰা

শ্ৰীডিম্বকান্ত মহন্ত

পুঞ্জীভূত ভাৱধাৰা

পুঞ্জীভূত ভাৱধাৰা

শ্ৰীডিম্বকান্ত মহন্ত বি কম
লেখক, সম্পাদক আৰু প্ৰকাশক

কৰঙা পোঃ আঃ
যোৰহাট, অসম ।

সম্পাদন হয়—১ কাতি ১৮৭৬ শক।

প্রথম প্রকাশ—১ ফাগুন ১৮৭৭ শক।

মূল্য—বার আনা মাত্র

সর্ব্বস্বত্ব সংরক্ষিত

মানৱতাৰ বেদীত

....

যৌৱন-শৰতত
　　পূৰ্ণিমাৰ জোন হৈ
জোৱাৰ তুলিছা মোৰ নিৰস প্ৰাণত;
তোমাকেই সাক্ষী থৈ
　　প্ৰতিদান পাবলৈ
সঁপি দিছো মন-প্ৰাণ তোমাৰ হাতত।

মধুৰ চাৱনি লৈ
তোমাৰেই চকুহুটি
জ্বলি মোৰ মন আকাশত,
উতলায় তেজ মোৰ
অনু পৰমাণু বোৰ
শত শত সূৰুযৰ অসীম শক্তিত।
তাৰ ওপৰত;
মিচিকিয়া হাঁহিটিৰে
পূৰ্ণিমা জোনৰ দৰে
ঢালি দিছা পৰাণত
বিমল পোহৰ;
তুমি উমা মোৰ পৰাণৰ
তুমি হৃৰি অনা মই!
তোমাৰ কুমৰ।

পুঞ্জীভূত ভাৱধাৰা

উষা,

মিলন-কুটিৰ এটি
আশাৰে গঢ়িছো তুলি
চেনেহ আৰু আবেগেৰে আবৰি পেলাই,
তোমাৰেই বন্দী কৰি
আদৰি শুভৰাত ধন
তোমাৰ ভাবতে উষা ভাবনা মিলাই।
ভাবৰ হিলোল তুলি
যৌৱনৰ তেজ ঢালি
তোমাৰ বুকুতে দিম পৰাণ মিলাই,
সুখী হোৱা উষা তুমি
আবেগত উঠা কান্দি
এই কামনাতে শত কামনা মিলাই।

উষা,

এনে সুকোমল তুমি!
যোৱাৰাতি,
'দিয়া এটি চুমা' বুলি সাবতি ধৰিলো
হঠাৎ থমকি ৰলো থৰ লাগি চাই
আবেগত ফুটি গল আফুট মাতত
'জানোচা তোমাৰ গাল খনি পমি যায়'

উষা,

তুমি ;

জগতৰ সৌন্দৰ্য্যৰ

জ্বলন্ত প্ৰতিমা ।

যৌৱনৰ ভৰ-দুপৰত

কিন্তু, কিয় ?............

................অযথাতে

................নিৰুত্তৰ

................নিৰ্ব্বাক

................নিস্পন্দ ।

ভাল পোৱা যদি মোক

হিয়া খুলি এবাৰ,

নহয়, নহয়, মাথো

কবানে প্ৰাণৰ উষা

এবাৰ ?

উষা,

তোমাৰেই ভাবনাত
উঠে কিয় ধুমুহাৰ
চল্লিশ গৰ্জ্জন ;
মাৰ যাব খোজে উষা
পৰাণত জ্বলি উঠা
আশাৰ চাকিটি।

উষা,

হাঁহি হাঁহি নাচি নাচি
আহা তুমি কাষ চাপি,
হাঁহি ভৰা মুখেৰেই
কিবা কম কিবা কম বুলি;
নামাতোগে আগবাঢ়ি
সেইবাবে সন্দেহত,
দুখ জাপি পৰাণত;
যোৱা দূৰ হৈ।

কিন্তু উষা,

আহিছে সিদিন সৌ......
যিদিনত................।

উষা,

পূৰ্ণিমাৰ জোনাকত
দুবৰি-পাটীত বহি
কোছত শুৱাই লৈ
'উষা' 'উষা' বুলি কৈ শতবাৰ তোমাকেই,
লগে লগে শত চুমা খাম দুগালত।
আৰু তুমি,............
আবেগত চকু তুলি প্ৰাণৰ বাতৰি যাচি,
স্নেহত উতলা কৰি ৰাখিবা স্বৰ্গত।

উষা,

শত শত চুমা খাই কৰিম ৰাঙলী
সেন্দুৰীয়া বোল্ লৈ
গোলাপ ফুলৰ দৰে
অপৰূপ ৰূপ লৈ
থাকিবা.........ফুলি ।

উষা,

কিনো কম সেইদিনা ভাবিব নোৱাৰো আজি
তথাপিও কম যেন বুকত সাবতি ;
নিৰলে ফুলিলা তুমি মনৰ মাজত
হেঁপাহেৰে তুলি ললো অবোধ প্ৰাণত।
কঁপি উঠা ওঁঠ দুটি দেখি
নুসুধি নকলে একো বেয়া পোৱা বুলি
কৈ যাম,....... .

দেখিছাতো কেতিযাবা
মলয়াৰ বোকোচাত নাচি থকা কুহিপাত ;
সেইদৰে উষা আজি ঢল উঠি জীৱনত
তেজৰ ভৰত নাচে এই দুটি ওঁঠ।

....

....

বুজিবা যেতিয়া,

শান্ত মৰুৰ দৰে

মোৰ এই অশান্ত জীৱন।

কে কৈ চাই ৰ'ম,

উষা তুমি,

নীল নৈৰ দৰে মাথো

ধীৰে ধীৰে কটালা জীৱন,

আজিটো বুজিছা মোৰ

কামনাৰ শান্ত মৰুৰ এই

অশান্ত জীৱন।

অ’ উষা,
এই জীৱনত যদি নাপাও তোমাক লগ,
পৃথিবীৰ বুকল’ই ঘূৰি বাৰ আহি আমি
লুইতৰ বালিতেই ল’মহি জনম,
যত আজি জীৱনৰ পাতনি মেলিছো উষা
তাত আহি জীৱনক কৰিম সাফল।
লুইতৰ বালিতেই বালি ঘৰ সাজি সাজি
দুয়ো মিলি কৰিম ধেমালি,
অলপ ডাঙৰ হলে টুলুঙ্গা নাৱত উঠি
ফুৰিম দুয়োয়ে আমি নাও খেলি খেলি।
যৌৱনৰ ফেঁহুজালি যেতিয়া শুনিবা উষা
ডালিমিৰ দৰে তুমি নাচিবা ৰঙ
ৰ লাগি তোমাতেই তোমাৰ মুখলে চাই
লগে লগে নাচি যাম নাচৰ চেৱত।

পুঞ্জীভূত ভাৱধাৰা

হঠাৎ এদিন উষা . লাজুকী লতাৰ দৰে
জঁহি পৰি যাবা তুমি চকুৰ আগত,
ফুল বুলি তুলি লৈ বুকত সাবটি লম
লাহেকৈ বহুৱাই মোৰেই কাষত।
কহুঁৱাৰ ফুল লৈ লাহে লাহে বিচি দিম
দুৰ্ব্বলতা বুজি পাম !!
আমনি কৰিম !!!
ফুলেৰেই সাজি দিম ধুনীয়া কিৰীটি এটি
বনগীত গাই গাই অনেক ধৰণে,
আশাৰ প্ৰকৃতি ৰাণী তুমি হবা উষা মোৰ
সজাম ধুনীয়া কৰি অশেষ যতনে।
হিয়াৰ মৰম যাচি সজাই এটাম উষা
ধীৰ হৈ থাকোতেই চকুৰ লাজত,
কথা কব খোজা দেখি মিচিকিয়া হাঁহি মাৰি
লুকাবাগৈ লৰ মাৰি জুৰিৰ কাষত।

আকুল হিয়াৰে ময়ো   পিছে পিছে ল'ৰি যাম
ভয়ে ভয়ে বিৰিঙাৰ আঁৰ লৈ লৈ,
ভাৱত তন্ময় হৈ   হঠাৎ থাকোতে বৈ
সাবতি ধৰিম উষা পিছফালে গৈ।
নিশ্চয় কৰিবা জোৰ   লৰ মাৰি পলাবলে
নোৱাৰিবা এৰি যাব মৰমৰ হাত,
দুৰ্ব্বল বিহ্বল ভাৱে   চেনেহৰ চাৱনিৰে
বন্দী হৈ ঢলি পৰি ৰবা মোৰ গাত
আকোৱালি বহুৱাম   আদৰি কোছত মোৰ
মৰমত কথা সাজি ক'ম এটি দুটি,
আউলী হোৱা চুলি খিনি   হাতেৰেই ঠিক কৰি
শত শত চুমা দিম বুকত সাবতি।

পুঞ্জীভূত ভাৱধাৰ

অন্তৰৰো অন্তৰৰ   স্নেহৰ হাহিটি উষা
    লাজুকী-ওৰণি দাঙ্গি আহিছে গুলাই,
প্ৰতিদান ৰূপে দিম   ব্যক্তিগত যদি থাকে
    মোৰ জীৱনৰ আশা তোমাক গতাই।
প্ৰীতিৰ সঁফুৰা মেলি   থাকিবা প্ৰাণৰ উষা
    মোৰ প্ৰাণো নাচি নাচি থাকিব স্নেহত,
পৰাণৰ পবিত্ৰতা   জীৱনৰ জয়-গীতি
    জয় গান গাম আমি একেটি সুৰত।
গানৰ সুৰতে উষা   জুৰিটিৰ পাৰ ঢাকি
    ফুলিব ইমান বোৰ নিতে নৱফুল,
তোমাক সাবতি ধৰি   তাত থকা মৌ চুপি
    কটাম জীৱন মোৰ
        চাই চাই দুগালৰ
            সেন্দূৰীয়া বোল।

উষা কিয় ?
লাহে লাহে
প্ৰাণৰ প্ৰদীপে মোৰ
পুৰি নিছে জীৱনৰ
সকলো সম্ভাৰ ;
তাত যদি পোৱা তৃপ্তি
যক্ মোৰ হিয়া পুৰি
জুইতেই হক্ শেষ,
এই যৌৱনৰ
আৰু সকলো আশাৰ ।

উষা,

তোমাৰেই এটি আকুল চাৱনি,
বাউলী মোৰ অন্তৰ খনি ;
তাৰেই ভাৱনা ফুটাই তুলিম,
তোমাক লৈ কবিতা লিখিম !!
চিৰ বেদনাৰ ঢৌ ভাঙ্গি ভাঙ্গি
তোমাৰ ভাৱত ওপঙি ফুৰি
সাতুৰি কটাম তোমাক লৈ !!!
হবা জানো তাত সুখী ?

উষা,

আশাৰ সপোন পুৰি
আজি আৰু নাই,
নাগাচাকি জ্বলা দৰে
লয় হৈ যায়।
অন্ধকাৰ দেখো মাথো
একোকে নেদেখো
ছাঁইৰ তলত পৰি
ওলাব নোৱাৰো।
যদিওবা কৈছিলো
বনিব সকলো পাৰো,
কৰিব সহিব পাৰো,
তোমাৰ কাৰণে মই
তোমাৰ স্নেহত ;

পুঞ্জীভূত ভাৱধাৰা

গোটেই শৰীৰ মোৰ
অণু-পৰমাণু বোৰ
দহি নিয়ে ছাই বোৰে
তিল তিল কৰি :
অ' উষা,
যাতনা অসীম
আৰু মই,
আৰু মই,
আৰু নাবাচিম ;
বিচাৰো শকতি
মৰো যেন হাঁহি হাঁহি তোমাকে সুঁৱৰি।
এটি দুঃখ বল মাথো
তোমাৰ উদ্দেশ্যে অহা
পুঞ্জীভূত ভাৱধাৰা
নোৱাৰিলো কৰিব প্ৰকাশ।

পুঞ্জীভূত ভাৱধাৰা

যৌৱনৰ উতলা তেজৰ
অপ্ৰকাশ শত কথা অবুজ প্ৰাণৰ
কব খুজিছিলো মাথো
"ডুবৰি পাটীত"
"ইমান ধুনীয়া তুমি কোন সৰগৰ"
কৈ যাওঁ মাথো উষা
চিঞৰি চিঞৰি,
শবদৰ তৰঙ্গত থাকি;
চিতাৰ অগনি লাগি
কাইলৈ জুই হৈ
উঠিব উজ্জ্বলি;
প্ৰাণৰ বিশ্বাস মোৰ;
ধ্ৰুব তৰা ৰূপ লৈ
চিৰকাল থাকিব প্ৰকাশি।

উষা অ',

সেইদিনা মধু নিশা

প্ৰাণৰ সৰ্ব্বস্ব কাঢ়ি লৈ

কিয় গলা গুচি 'তুমি মোক এৰি থৈ।

"বিদায়" "বিদায়"—পৰ্ব্বতৰ পৰা

বিজুলী বেগেৰে আহি

দু-কাণত ঠিলা মাৰি

হিয়াত মাৰিলে কিবে

বিদায়! বিদায়!!

নিজৰা পাৰত পৰি

কেউ পিনে চাই

দেখিছিলো মাথো—

সীমাহীন অন্ধকাৰ দূৰ দিগন্তৰ,

পুঞ্জীভূত ভাৱধাৰা

যাতনাৰ তীব্ৰতাত
কণ্ঠৰুদ্ধ পিয়াহত
কান্দিছিলো 'আই' বুলি,
আহিছিল দিওঁ বুলি কোলাত জিৰণি
মাতিছিল 'তই' বুলি
শান্তিময়ী মৃত্যু দেৱী
দৰদী হিয়াৰ।
কোন পলা ধৰি আজি
আইক তুমি কি কথা লগালা
আই মোৰ গুচি গ'ল
দাবী মাৰি থৈ।
উঃ।
তুমি।
তুমি।
তুমি মোক কৰিলা অন্যায়।

অবলাটো তুমি উষা,
কিজানিবা জীয়াতু ভুগিছা
গাইছা মাথোন এটি হিয়া ভগা গান,
তথাপিও কিয় জানো বুজিও নুবুজা কৈ
তোমাৰেই ওচৰত কৰো অভিমান!
কিয় জানো কৈছিলো?
'মৰম নিদিলা উষা
মোৰ পৰাণৰ সৰ্ব্বস্ব নিলা
মৰম নিদিলা উষা।'
দোষ দিব খোজো আৰু স্বভাৱৰ তাড়নাত
হেৰুৱাব খোজো কিয় তোমাত বিশ্বাস,
ভুল মোৰ ভুল মোৰ দুৰ্ব্বল বিবেক মোৰ
শক্তিহীন হৈছিল নেপাই আশ্বাস।
সুখী হোৱা, সুখী হোৱা
শক্তি লোৱা মোৰ পৰাণৰ।

কেতিয়াবা—

জীৱনত কেতিয়াবা মৰমত তিতা লাগি
শোৱা যদি বিচনাত কাম বন এৰি,
সুৱঁৰিলে অতীতক মনত পৰিলে মোক
নানিবাগে চিঠিবোৰ বিচাৰি বিচাৰি।
নপঢ়িবা এটি পাতো বুজি উঠা যদি উষা
মিলনৰ আশা মোৰ চেনেহী প্ৰাণৰ,
হিয়াত লাগিব পাৰে ! অভিশপ্ত হব পাৰা !!
দুখ তুমি পাব পাৰা শত জনমৰ !!!
বুকত সাবতি লৈ মোৰ সেই চিঠিবোৰ
নাকান্দিবা বিচনাত বাগৰি বাগৰি,
হিয়াৰ সৰ্ব্বস্ব ঢালি মনে মনে নিৰলাত
নুপূজিবা উষা মোৰ প্ৰতিচ্ছবি আনি।

পূৰ্ণিমাৰ জোনাকত চুমা যচা স্বপ্ন দেখি
আউলী বাউলী হৈ নাহিবা ওলাই
অকলে অকলে তুমি ডুবৰি পাটীত পৰি
পাগলীৰ দৰে যেন নাথাকা বিনায়।
শোকে অভিভূত হৈ নিনিয়াবা দিন উষা
অনুতাপ জীয়াজুই নোৱাৰ সহিব,
'ক্ষমা কৰা মোক' বুলি চিঞৰি নুঠিবা তুমি
মৰমৰ ঘৰখন নিদিবা ভাগিব,
অ' অ' চেনেহী উষা,
শান্ত নিৰ্ম্মল ৰূপ পবিত্ৰ প্ৰাণৰ,
মোৰ দুখ-কষ্ট মোৰ নিজৰ ভাগ্যৰ।

দেখা পালে কেতিয়াবা কিবা কিবি ভাব আহি
মনত লাগিব কিযে উগুল-থুগুল খন,
যাওঁতে উজুতি খাবা কথা কওঁতে ৰৈ যাবা
অলৰ অচৰ হ'ব আলসুৱা মন।
আচৰিত হৈ চাব, দেখিব তোমাব
বিষাদ ভাবৰে ঢকা চিন্তাযুক্ত মুখ খনি,
চেনেহেৰে মাত দিব "কি হ'ল তোমাৰ প্ৰিয়া" বুলি
উঠিবাটো চক্ খাই,
চিন্তাত বিবুদ্ধি হৈ
ৰবা ঠিৰ হৈ।
কি কওঁ নকওঁ বুলি
ভাবোতেই ৰৈ ;
কাঢ়িবাটো হুমুনিয়াহ
জৰ্জ্জৰিত হৈ।

পুঞ্জীভূত ভাৱধাৰা

‘একো হোৱা নাই’ বুলি
গা-মুৰি দি তুমি উঠিবা দুখত।
টোপনিয়ে নিছে যেন দুচকু মুদাই,
‘শোওঁগৈ’ বুলি কৈ
উঠি যাবা উপায় নেপাই।
বিচনাত শুই! শুই!'
বৌতিয়ে কৈছিল,
বাৰ শতৃকৰেও,
বাস্তৱ আৰু আদৰ্শৰ ঘোৰ সংঘাতত
জীৱনৰ ছন্দ হেৰুৱাই, দুঃখ পক বুলি
ভাবিব নেপাই ;···কেতিয়াও নেভাবিবি।

পুঞ্জীভূত ভাৱধাৰা

উষা তুমি,—

জীৱনৰ মধুৰ পৰত

ঘটনা চক্ৰত পৰি

কিয় পাবা এনে দুখ ?

নিদিওঁ নিদিওঁ দেখা আতৰি থাকিম

কেতিয়াও নেদেখিবা মোক,

নিদিওঁ নিদিওঁ প্ৰাণৰ উষা

অন্তৰে নিদিয়ে তোমাক দোষ।

তুমিয়ে বিচৰা মোৰ বুকৰ মৰম খিনি

পাইছাতো মোৰ ভাৱগতিৰ মাজত,

ব্যথিত হলেও হিয়া সাদৰে বিদায় দিছো

সুখী হ'ম মঅই !·········তোমাৰ সুখত।

উষা,

মই হেনো
চীনৰ প্ৰাচীৰ ৰূপা
সিদিনাৰ সভ্যতাৰ
পুৰণি জেওৰাখন
হেচাঁ মাৰি ভাঙ্গি লৈ
গৈছিলো তোমাৰেই
পৰশ বিচাৰি ;
কাষৰৰ এটি দুটি
বনৰীয়া ফুল ছিঙ্গি
গাঁথি গাঁথি মালাধাৰ
তোমাৰ কাৰণে ?

উষা,

স্বপ্ন কি সচাকৈ দিঠক?
তুমি কি!
অত বীৰঙ্গনা আৰু বীৰৰ লগত
এনে এটি বিৰাট দুর্গৰ ওপৰত.
নাচিছা ৰঙত।
তোমাৰ অপূৰ্ব্ব নৃত্য
মনোমুগ্ধকৰ।
শলাগো প্ৰাণৰ উষা শত শত বাৰ।

কিন্তু উষা,
বাট নাই কোনোকালে
নোৱাৰা নামিব।
থাকি থাকি বুকুকঁপে তোমাৰ কাৰণে
নাহিবাছো হেঁপাহত ইমান কাষলে;
পিছলি পৰিবা আহি কাষৰৰ মোৰ
চালহীন জুপুৰিৰ ঠটা মজিয়াত।

উষা,

স্বাৰ্থপৰ সকলো মাথোন
ধৰ্ম্ম কৰ্ম্ম নীতিবোৰো
ঘৃণনীয় স্বাৰ্থৰেই
কৰি সংস্কৰণ ;
মানৱৰ মানৱত্ব
পাশৱিকতাৰ ডোলেৰে বান্ধি
ঘটাই মৃত্যু, ৰচিছে সমাধি।
তোমাক নেদেখি ঊষা হৈছিলো অলপ হতাশ,
জগতত এনে কাণ্ড দেখি
লাগি গল ডাঙৰ বিচাট।
থাকিব নোৱাৰি.
আহিছিলো সাগৰৰ পাৰে পাৰে
বহু দূৰলৈ।

পুঞ্জীভূত ভাৱধাৰা

কাণি-মুণি বেলা এই ইয়াৰে পাৰত
কিয় জানো ? মাৰিলো উজুতি,
বহি পৰি খেপিয়ালো
পালো মাথো কিছু শিলগুটি ।
জ্ঞান-সাগৰৰ শিলগুটি বুলি
তাকেই সাবটি ললো,
হিচাব কৰি থাকোতে থাকোতে
হঠাৎ টোপনি গলো ।
সাৰ পাই চকু মেলি দেখিলো আগত
দ্বিতীয়াৰ জোনবাই বিমল আকাশ
এটি এটি সৰুতৰা ইমান ধুনীয়া
ইমান দূৰত থাকি কৰিছে প্ৰকাশ ।

নভোমণ্ডললে চাই শান্ত্বনা বিচাৰি
বিনালে হিয়াই মোৰ
শিলগুটি বোৰতেই বাগৰি বাগৰি
উঠি বহি ;
ঢৌ টুকালি চিঞৰি উঠিলো,
সুনিৰ্ম্মল পবিত্ৰতা, ইদৰে বিচাৰো ধৰা
সুন্দৰৰ হব য'ত সৌন্দৰ্য্য প্ৰকাশ
নাথাকিব বাধা য'ত হব সমন্বয়,
মিলন-মাধুৰী লৈ শান্তি লভিব
মোৰেই নিচিনা মানুহৰ
কোটি কোটি মানৱৰ
অশান্ত হিয়াই।

পুঞ্জীভূত ভাৱধাৰা

সহস্ৰ মুখেৰে উষা, আকাশৰ পৰা
ক'লে মোক হাহি হাহি,
"আত্ম প্ৰকাশী মহান সৃষ্টিত
আহিছো আমি বিকাশ গতিত,
তুমিও যোৱা তোমাৰ বাটেদি
পাবা অমৃতক ; নহবা পতিত।"
থৰ লাগি থাকিলো মাথোন
শেষ হল এটি মোৰ বিৰাট সপোন।
উষা,
লাহে লাহে তন্দ্ৰা ভাগিছে মোৰ ;
দ্বিতীযাৰো জেনে দিছে আশাৰ কিৰণ,
ঘুৰিম ঘৰলে মই,
জন্মভূমিত মোৰ, কটাম জীৱন।

পুঞ্জীভূত ভাৱধাৰা

উষা,

সুবিস্তৃত মুকলি পৃথিৱী
তাৰেই বুকত আছে
মানুহে হাতেৰে গঢ়া
এটি দুটি পিঞ্জৰা লেখৰ
বন্দিনী প্ৰাণৰ উষা !
দুঃসহ জীৱন তুমি কেনেকৈ সহিছা ?
জানিছিলো আগতেই আজিটো দুখত কওঁ
দিওঁ বুলি দিবলৈ এখানি মৰম তুমি
ভৰিৰ শিকলি ছিঙ্গি নোৱাৰা আহিব
তাত পোৱা মাত-কথা তাড়নাৰ হলেওবা
খাই লৈ ভোক-শোক গুচাব লাগিব।

পুঞ্জীভূত ভাৱধাৰা

আহোতে বাটত,
কোন এটি কত স্তৱী পকী ঘৰ
বেৰৰ কাষত তাৰে
লৈছিলো ক্ষন্তেক জিৰণি
চিল্‌মিল্‌ টোপনি আহোতে
মাতটোহে শুনিছিলো, দেখা নাই মুখখান
ওপৰৰ পৰা নামি আহি
কাষৰত বহি; দিছিলা বুজনি।
কিবা যেন প্ৰতিজ্ঞা ভাঙ্গিলো
ভয় খাই কোবেৰেই লৰ মাৰিছিলো
হোৱা কি নোহোৱা তুমি
উভতি নাচালো।

আহোতে আহোতে,
সকলো পাহৰি গ'লো
বাজি আছে কিন্তু উষা
এটি কথা তোমাৰ মুখৰ,
"আমাৰ জীৱন আমি নিজে গঢ়ি লোৱা নাই
পিন্ধা নাই নিজে লোৱা সাজ,
কালিৰ জগতে সজা আজিৰ বিশ্বত মাথো
দিছো আহি তাড়নাত পুতলাৰ নাচ।"
এই লীলা,
আৰু নসহিম।
উষা অ'—সচাকৈয়ে চোৱাছোন
বন্ধ বায়ুৰ পৰশ লাগি
জুঁই পৰি নায় চুপহি বোৰ
সমগ্ৰ জগত পৰিস্কাৰ কৰি
দূষিত বায়ুৰ পেলাম গুৰ।

পুঞ্জীভূত ভাৱধাৰা

বিপ্লৱ কৰিম
বিপ্লৱ কৰিম
বিপ্লৱী হম
উষা, মই বিপ্লৱী হম।
সাহিত্যৰ লাগনী লগাই
ধৰ্ম্মনীতি, ৰাজনীতি
(সমাজৰ) কত শত মূলনীতি,
সকলোতে বিপ্লৱৰ অগনি জ্বলাম।
সমগ্ৰ বিশ্বৰ
মানৱৰ ভাবনাত
উতল উঠাম,
উষা মই বিপ্লৱৰ অগনি জ্বলাম।

বনজুয়ে পুৰিব ধৰাত,
সাপ-স্থুপ পুৰি মৰি
জাহ্ যাব ধৰাৰ বুকত,
হাবি বন আবৰ্জ্জনা
পুৰি পুৰি শেষ কৰি
শেষ সীমা পাবগে যিদিনা ;
(ৰব তাত জ্বলি জ্বলি
অগ্নি-গড় হৈ)
সেইদিনা নেদেখিবা
বিপ্লৱৰ অগ্নিশিখা
এই জগতত ।

পুঞ্জীভূত ভাৰধাৰা

দেখা পাবা মাথো তাত
কত শত সুসভ্য মানৱে
অত কষ্ট কৰি কৰি বালি খুই খুই
সোণ তুলি সাজি অনা
যাদুঘৰ, নিভাঁজ সোণৰ
আৰু তাৰ ধুনীয়া কলচী
ওলাই উজ্জ্বলি থকা তিৰবিৰ কৰি।
ক'ত আছে সংসাৰত স্বাৰ্থান্ধ মানৱ
স্বাৰ্থৰ কাৰণে মৰা দুখ বেজাৰত,
সেই যাদুঘৰে,
দানবীয় ভাবনাৰ, আৰু আৰু
প্ৰাণহীন কঠুৱা হিয়াৰ
স্বাৰ্থময় মানুহক কৰাব সংস্কাৰ,

পুঞ্জীভূত ভাৱধাৰা

হব তাত ; মানুহৰ বাবে
মানৱতাৰ, পূৰ্ণ আবিষ্কাৰ ।
সুসভ্যৰ ভাৱধাৰা আৰু গুণ ৰাশি
প্ৰতিফলিত হৈ নিজে উঠিব প্ৰাণত
সম্পূৰ্ণ বিকাশ লভি
অভিভূত কৰিব মনক ।
তেতিয়া, তেতিয়া উষা,
সেই ভাব লৈ যেই চাব চকু মেলি
মানুহে, মানুহে পাব
কল্পনাৰ সুন্দৰ পৃথিৱী ।

নতুন যুগৰ সূচনা কৰিম।
মানৱী বেদীত
মানৱক প্ৰতিষ্ঠা কৰি
সাম্যৰ পৃথিৱী গঢ়িম।
একেটি ঘৰৰ তলত থাকিম।
একে নিয়মত সকলো চলিম।
মানৱ প্ৰেমত বলিয়া হৈ
মৰতত সৰগ ৰচিম।
সেইদিনা জগতত সুখী হব সকলোটি
আগবাঢ়ি যাব মাথো প্ৰগতি বাটত,
প্ৰাণ, জ্ঞান, আত্মাৰ উৎকৰ্ষ সাধন কৰি
লভিব পৰম শান্তি এই মৰতত।

শুদ্ধৰণী

পৃষ্ঠা—	শাৰী—	আছে বা যদি আছে—	হ'ব লাগে
৪ —	১	সম্পাদন হয়—	সম্পাদনব সময়
১১ —	১৫	এবাৰ—	মাথোন এবাৰ
১৮ —	৫	যত	য'ত
৩১ —	৬	নোৱাৰ—	নোৱাবা
৯৪ —	৩	হম —	বিপ্লৱী হ'ম
৪৬ —	৮	ক'ত —	কত

শ্রীগুরু প্রেছ, মালিগাওঁ, (পাণ্ডু)